অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref* : AJB/RD/11/20

তাৰিখ :
*Date* : 26-01-2020

# 71st Republic Day of India celebrated at Assam Jatiya Bidyalay, Noonmati

**Noonmati, Guwahati, 26 January, 2020 :** Like the other parts of the country, Assam Jatiya Bidyalay, Noonmati also celebrated 71st Republic Day of India. At 7.30 am the Principal of the school hoisted the National Flag of India in the presence of hundreds of school students, guardians and other teachers. The Principal delivered a brief speech on the freedom struggle of India and appealed the students to study the Indian history and feel the sacrifice of the freedom fighters who laid down their lives for us. In the main programme of the Republic Day, a few students performed patriotic songs and dances. Dimple Talukdar, a teacher of the English department spoke on the importance of celebrating this historic day of India. Pranita Devi, a teacher of the Social Science dwelt upon on the topic "Dr. B. R. Ambedkar, the major architect of the Constitution of India". Upangshu Pratim Sarma, a student of class X delivered a brief speech on behalf of all the students. In the programme, Khyati Trishna Devi, a student of class VII and Barnali Devi, a teacher of the Music department sang a patriotic song. The whole programme was anchored by Mr. Ashim Krishna Barua, a senior teacher of the school and Koushiki Goswami, a student of class XI. At the end of the programme, Rabindra Barman, the Vice-Principal of the school offered vote of thanks. The convenor of the programme was Runumi Kalita, a teacher from the department of Social Science.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati

কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/গদি/১১/২০
*Ref :*

তাৰিখ : ২৬/০১/২০২০
*Date :*

### অসম জাতীয় বিদ্যালয়ত ৭১সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ২৬ জানুৱাৰী, ২০২০** : দেশৰ ৭১ সংখ্যক গণৰাজ্য দিৱস আজি দেশৰ অন্যান্য প্ৰান্তৰ লগতে নুনমাটিৰ অসম জাতীয় বিদ্যালয়তো উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা ৭.৩০ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। পতাকা উত্তোলন কৰি দিয়া ভাষণত অধ্যক্ষ গৰাকীয়ে সকলোকে গণৰাজ্য দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰি শিক্ষাৰ্থীসকলক ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস ভালদৰে অধ্যয়ন কৰিবৰ বাবে আহ্বান জনায়। গণৰাজ্য দিৱস উপলক্ষে আয়োজন কৰা অনুষ্ঠানত দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰে ইংৰাজী বিভাগৰ শিক্ষক ডিম্পল তালুকদাৰে। ‘সংবিধান প্ৰণেতা ড° বি আৰ আম্বেদকাৰ’ বিষয়ত বক্তৃতা প্ৰদান কৰে সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী প্ৰণীতা দেৱীয়ে। দশম শ্ৰেণীৰ শিক্ষাৰ্থী উপাংশু প্ৰতিম শৰ্মাই শিক্ষাৰ্থীসকলৰ হৈ বক্তব্য আগবঢ়ায়। অনুষ্ঠানত বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ শিক্ষাৰ্থী খ্যাতি তৃষ্ণা দেৱী আৰু সংগীত বিভাগৰ শিক্ষয়িত্ৰী বৰ্ণালী দেৱীয়ে একক গীত পৰিৱেশন কৰে। এই অনুষ্ঠানতে বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে দেশপ্ৰেমমূলক গীত আৰু নৃত্য পৰিৱেশন কৰে। অভিভাৱকসকলৰ হৈ সঞ্জীৱ কাকতিয়ে বক্তব্য আগবঢ়ায়। গণৰাজ্য দিৱস অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱা আৰু একাদশ শ্ৰেণীৰ শিক্ষাৰ্থী কৌশিকী গোস্বামীয়ে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ উপাধ্যক্ষ ৰবীন্দ্ৰ বৰ্মনে। সমগ্ৰ অনুষ্ঠানটোৰ আহ্বায়কৰ দায়িত্বত আছিল সমাজ বিজ্ঞান বিষয়ৰ শিক্ষয়িত্ৰী ৰুণুমী কলিতা।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০